2008

ASSAMESE

SECOND PAPER

(নতুন পাঠ্যক্ৰম)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১ নং প্ৰশ্ন আৰু আন যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক

১। চমুকৈ উত্তৰ লিখক : ৪×৫=২০

(ক) 'প্ৰহ্লাদ চৰিত' কাব্যত হেম সৰস্বতীয়ে নিজৰ, পৃষ্ঠপোষকৰ আৰু বিষয়বস্তুৰ পৰিচয় কেনেদৰে আগবঢ়াইছে, লিখক।

(খ) অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে এটি চমু টোকা লিখক।

(গ) 'নামঘোষা'ত ভাগৱত প্ৰশংসা কেনেদৰে পোৱা যায় ?

(ঘ) নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাটো কি অৰ্থত আধুনিক ?

(ঙ) 'ৰাম নৱমী' নাটকৰ নৱমীৰ চৰিত্ৰটো আলোচনা কৰক।

২। চৰ্যাগীতসমূহৰ ৰচনাৰ মূল লক্ষ্য কি? চৰ্যাগীতত ধৰ্মীয় সাধনতত্ত্বৰ কথা কেনেদৰে ব্যাখ্যা কৰা হৈছে, আলোচনা কৰক। ১২

৩। মাধৱ কন্দলি কোন শতিকাৰ কবি? কন্দলিৰ 'হনুমানৰ লংকাদৰ্শন' কাব্যাংশৰ আধাৰত সীতা আৰু হনুমানৰ চৰিত্ৰ বিশ্লেষণ কৰক। ১২

৪। মধ্যযুগৰ অসমীয়া নাট্য পৰম্পৰাত শংকৰদেৱৰ পৰৱৰ্তী নাট্যকাৰসকলৰ বৰঙণি সম্পৰ্কে আলোচনা কৰক। ১২

৫। 'পাৰিজাত হৰণ' নাটকৰ চৰিত্ৰ সৃষ্টি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক। ১২

৬। 'শিশুলীলা' অধ্যায়ত শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আৰু মানৱীয় লীলা শংকৰদেৱে কেনেদৰে একত্ৰিত কৰিছে, বিচাৰ কৰক। ১২

৭। 'নামঘোষা'ৰ আধাৰত অনুবাদক মাধৱদেৱৰ বিষয়ে আলোচনা আগবঢ়াওক। ১২

৮। আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ কি কি? 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটিত আধুনিক কবিতাৰ লক্ষণসমূহ কেনেদৰে পৰিস্ফুট হৈছে? ১২

৯। নাট্যকাৰ অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য' নাটকখনৰ মুখ্য চৰিত্ৰটিৰ এটি মূল্যায়ন আগবঢ়াওক। ১২

***